**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :20**-DEC-2025

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***Headlines***

**--------------------**

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি অসম আগমন। প্ৰধানমন্ত্ৰীৰ প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন।

৩। তেজপুৰ বিশ্ববিদ্যালয়ৰ অচলাৱস্থা দূৰ কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যপালক স্মাৰক পত্ৰ প্ৰদান।

৪। ৰাজ্যৰ ৭ খন জিলাত গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ।

*আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ৩০ ৰানত পৰাস্ত কৰি ভাৰতৰ শৃংখলা দখল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। এই  কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব'ৰ আয়োজন কৰিছে।  এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই –

বাইট

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ পাছত বৰঝাৰত সম্বোধন কৰিবলগীয়া ৰাজহুৱা সভাৰ ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি

বিয়লি ৩ বাজি ৪৫ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠান মহাবাহু শাখাৰ মিডিয়াম ৱেভ আৰু এফ এম বেণ্ডত প্ৰচাৰিত হোৱাৰ লগতে ৰাজ্যৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব। আমাৰ বাতৰি বুলেটিনকে ধৰি কেন্দ্ৰৰ নিয়মীয়া অনুষ্ঠানসমূহ নিউজ অন এ আই আৰ এপযোগে প্ৰচাৰিত হ'ব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই কালি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি গুৱাহাটী আগমনৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীত গধূৰ বাহনৰ চলাচলত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰা হৈছে। কালি এখন সংবাদমেলত কামৰূপ মহানগৰ জিলা আয়ুক্ত আৰু যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তই এই বিষয়ে প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰি যান-বাহনৰ বাবে বিশেষ পথ নিৰ্দেশনা জাৰি কৰা হোৱা নাই। অৱশ্যে প্ৰধানমন্ত্ৰীৰ আগমনৰ সময়ত জনসাধাৰণক পাণবজাৰ- ফাঁচীবজাৰ পথ, ৰিভাৰ ফ্ৰণ্টৰ পথ আৰু লখৰা, বৰাগাঁও অঞ্চলৰ পথসমূহ এৰাই চলিবলৈ আহ্বান জনোৱা হৈছে। বিমানবন্দৰৰ টাৰ্মিনেল মুকলি অনুষ্ঠানৰ সময়ত যান-বাহনৰ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা কেতবোৰ নিৰ্দেশনা সন্দৰ্ভত যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই এইদৰে কয় –

বাইট

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে কালি তেজপুৰ বিশ্ববিদ্যালয়ৰ অচলাৱস্থা আঁতৰ কৰাৰ বাবে লোক ভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে। ছাত্ৰসন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন, মুখ্য উপদেষ্টা ড০ সমুজ্জল ভট্টাচাৰ্যৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সাক্ষাৎকালত প্ৰতিনিধি দলটোৱে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে অসমৰ লগতে ভাৰতবৰ্ষৰ শৈক্ষিক জগতত সুকীয়া স্থান পাবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰি কয়, যে ঐতিহাসিক অসম চুক্তিৰ আধাৰত স্থাপন হোৱা এই বিশ্ববিদ্যালয়খন অসমৰ গৌৰৱ। শেহতীয়াকৈ বিশ্বদ্যালয়খনত সৃষ্টি হোৱা অচলাৱস্থা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি প্ৰতিনিধি দলটোৱে বিশ্ববিদ্যালয়খনৰ বিতৰ্কিক উপাচাৰ্য ড০ শম্ভুনাথ সিঙৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ, বিশ্ববিদ্যালয়ত চলি থকা দুৰ্নীতি, অনিয়মৰ তদন্ত কৰা, বৰ্তমান ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা বিশ্ববিদ্যালয়খনৰ আটাইতকৈ জ্যেষ্ঠ অধ্যাপগৰাকীক সম্পূৰ্ণ কৰ্তৃত্ব সহকাৰে বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ সুবিধা প্ৰদান, বিশ্ববিদ্যালয়ত প্ৰয়োজনীয় আইন সংশোধন কৰি এখন স্বতন্ত্ৰ আৰু গণতান্ত্ৰিক নিৰ্বাচিত ছাত্ৰ একতা সভা গঠন কৰাৰ দাবীকে ধৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ

স্মাৰক পত্ৰত উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ছাত্ৰসন্থাৰ প্ৰতিনিধিৰ দলটোৰ সৈতে গুৰুত্বসহকাৰে আলোচনা কৰাৰ লগতে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদৰি কৰে।

০০০০০০

ৰাজ্যৰ ৭ খন জিলাত গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যোৱা ১৬ নৱেম্বৰৰ পৰা যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, লখিমপুৰ আৰু দৰং জিলাত গাহৰি মাংস বিক্ৰীৰ লগতে গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছিল। শেহতীয়াকৈ নমুনা পৰীক্ষাত আফ্ৰিকান SWINE FEVER ঋণাত্মক হোৱাত মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। অৱশ্যে আন্তঃ জিলা গাহৰি সৰবৰাহৰ ক্ষেত্ৰত পূৰ্বৰ নিষেধাজ্ঞা বাহাল থাকিব। ইপিনে, বহিঃৰাজ্যৰ পৰা চাৰ্টিফাইড গাহৰি সৰবৰাহ কৰিব পাৰিব বুলি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

SWINE FEVER-ৰ প্ৰাদুৰ্ভাৰৰ ফলত এই জিলাসমূহত  ব্যাপক হাৰত গাহৰি নিধন কৰাৰ ফলত গাহৰি পালকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হয়। ধেমাজি জিলাত গাহৰি মাংসৰ বিক্ৰীৰ ক্ষেত্ৰত জিলা প্ৰশাসনে পূৰ্বে জাৰি কৰা নিষেধাজ্ঞা বাতিল কৰাত গাহৰি পালকসকলে সকাহ পাইছে। এই সন্দৰ্ভত জিলা প্ৰশাসনে কালি আন এখন জাননীযোগে ব্যৱসায়ীসকলে বজাৰত পুনৰ গাহৰি মাংস বিক্ৰী কৰিব পাৰিব বুলি জনোৱা হৈছে। এই সন্দৰ্ভত ধেমাজি জিলাৰ পশু চিকিৎসা বিষয়া মানস শইকীয়াই এইদৰে কয় –

বাইট

০০০০০০

ঔষধ কেৱল বিজ্ঞান নহয়, ই হৈছে বিজ্ঞান আৰু কলাৰ সমাহাৰ। গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি আই টি এ কেন্দ্ৰত অনুষ্ঠিত দ্বাবিশংতিতম ডাঃ অমিতাভ চৌধুৰী স্মাৰক বক্তৃতাত অংশগ্ৰহণ কৰি দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠান, এইমছৰ প্ৰাক্তন অধ্যাপক তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত ডাঃ ৰণদ্বীপ গুলেৰিয়াই কালি এই মন্তব্য প্ৰকাশ কৰে। ডাঃ অমিতাভ চৌধুৰী ন্যাসৰ উদ্যোগত আয়োজিত অনুষ্ঠানত **চিকিৎসা বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত ধাৰণা পৰিৱৰ্তন** শীৰ্ষক বক্তৃতা প্ৰদান কৰি বিশিষ্ট চিকিৎসকগৰাকীয়ে কয়, যে ভৱিষ্যতৰ চিকিৎসালয়সমূহ প্ৰযুক্তিগতভাৱে উন্নত হ'ব লাগিব। পৰিৱৰ্তিত সময়ত চিকিৎসা বিজ্ঞানে বহু পৰিৱৰ্তন আনিছে যদিও বৰ্তমান সময়ত চিকিৎসা শিক্ষাৰ পৰিৱৰ্তনৰ প্ৰয়োজন আছে। চিকিৎসাৰ পূৰ্বে চিকিৎসকসকলে ৰোগীক বুজি লোৱাৰ প্ৰয়োজন, কিয়নো ৪০ ছেকেণ্ডৰ বৰ্ণনাই ৰোগীৰ মানসিক চাপ হ্ৰাস কৰিব পাৰে। চিকিৎসাৰ ক্ষেত্ৰত পৰিৱৰ্তন আৰু দায়বদ্ধতাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ চিকিৎসকসকলক ৰোগীকেন্দ্ৰীক চিকিৎসা কৰাৰ পৰামৰ্শ আগবঢ়ায়। ভাৰতীয় চিকিৎসা বিজ্ঞানত জিন এডিটিং ব্যৱস্থা, কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰ'ব'টিকছ ব্যৱস্থা ব্যৱহাৰৰ প্ৰসংগ উল্লেখ কৰি তেওঁ অনাগত দিনত অধিক ক্ষীপ্ৰতাৰে এনে প্ৰযুক্তিসমূহৰ প্ৰয়োগ হোৱাৰ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, পথ দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুওৱা চিকিৎসক অমিতাভ চৌধুৰীৰ সোঁৱৰণত ২০০৪ চনৰ পৰা ন্যাসে এই বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰি আহিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড০ দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

হোজাই জিলাৰ সমাজবন্ধু হিচাপে পৰিচিত সুজিত সোমে বিগত সপ্তাহত দুটাকৈ ৰাষ্ট্ৰীয় সন্মান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ১২ ডিচেম্বৰত দিল্লীৰ ঝৰোদা পঞ্চশীল আশ্ৰম প্ৰাংগণত অখিল ভাৰতীয় দলিত সাহিত্য একাডেমীৰ উদ্যোগত আয়োজিত অনুষ্ঠানত সমাজ সেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে সুজিত সোমক ড° ভীমৰাও আম্বেদকাৰ সেৱাশ্ৰী বঁটা প্ৰদান কৰা হয়। শ্ৰী সোমে লগতে ১৫ ডিচেম্বৰত পূৰ্বৈয়া ৰাষ্ট্ৰীয় সামাজিক সংস্থাৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ জ্যোতিবা ফুলে পূৰ্বৈয়া ৰাষ্ট্ৰীয় সামাজিক সন্মান লাভ কৰে। কালি অঞ্চলটোৰ কেইবাটাও সামাজিক সংগঠন আৰু শুভাকাংক্ষীয়ে তেওঁক আদৰণি জনায়।

০০০০০০

আহমেদাবাদত অনুষ্ঠিত টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ৩০ ৰানত পৰাস্ত কৰি শৃংখলা দখল কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। তিলক বাৰ্মাই সৰ্বাধিক ৭৩ আৰু হাৰ্ডিক পাণ্ডিয়াই ৬৩ ৰান কৰে। হাৰ্ডিকে মাত্ৰ ১৬টা বলত অৰ্ধশতক কৰি দ্ৰুত ৰান কৰা দ্বিতীয় ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হয়। দক্ষিণ আফ্ৰিকাৰ হৈ কৰ্বিন বছে দুটা উইকেট লাভ কৰাৰ লগতে অটনেইল বাৰ্টমেন আৰু জৰ্জ লিণ্ডেই এটাকৈ উইকেট দখল কৰে।

দক্ষিণ আফ্ৰিকাই ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০১ ৰান কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ কুইণ্টন ডি ককে ৬৫ ৰান কৰে। বৰুণ চক্ৰৱৰ্তীয়ে ৫টা উইকেট দখল কৰে। হাৰ্ডিক পাণ্ডিয়াক প্লেয়াৰ অৱ দা মেচ আৰু বৰুণ চক্ৰৱৰ্তীক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

পাঁচখনীয়া টি-২০ শৃংখলাটোত ভাৰতে ৩-১ৰ ব্যৱধানত জয়লাভ কৰে। ইয়াৰে চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে বাতিল কৰিবলগীয়া হয়।

০০০০০০

News Paper REV/RNU/20-12-25 (20-12-2025) MORN

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত অন্যান্য খবৰৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া বাতৰিটোৱে শিৰোনাম দখল কৰিছে। শ্ৰী মোদীয়ে এই ভ্ৰমণসূচীত কেইবাটাও প্ৰকল্প আৰু আধাৰশিলা স্থাপন কৰাৰ বাতৰিটো বিস্তৃতভাৱে অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসম কাকতে **উন্নয়নৰ বতৰাৰে ৰাজ্যত নিৰ্বাচনী ৰণশিঙা বজাব প্ৰধানমন্ত্ৰীয়ে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰতিবেশী বাংলাদেশত শেহতীয়াকৈ মৌলবাদী শক্তিৰ উত্থানৰ ফলত দুয়োখন দেশৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ কিছু অৱনতি  ঘটিছে। এই উদ্বেগৰ পৰিপ্ৰেক্ষিতত অসমতো বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি কৰাৰ বাতৰিটো আমাৰ অসম, দ্যা ছেণ্টিনেল, অসমীয়া খবৰকে আদি কৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

সংসদৰ শীতকালীন অধিৱেশনৰ কাম কাজ কালিৰে পৰা অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছত শেহতীয়াকৈ ছিংগাপুৰৰ পৰা অহা অট'প্ছী ৰিপ'ৰ্ট অনুসৰি চিকিৎসকে শিল্পীগৰাকীৰ তেজৰ নমুনাত প্ৰতি ডেচিলিটাৰত ৩৩৩ মিলিগ্ৰাম ইথানলৰ উপস্থিতি লাভ কৰাৰ লগতে প্ৰস্ৰাৱৰ নমুনাতো একে ধৰণে প্ৰতি ডেচিলিটাৰত ৩৬৯ মিলিগ্ৰাম ইথানলৰ উপস্থিতি ধৰা পৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত তথ্য সহিতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত বতৰ ফৰকাল হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম তথা মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত